**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-12-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

চলিত বছৰত ৰাজ্যত পথ দুৰ্ঘটনা ৭২ দশমিক ৫-৬ শতাংশ বৃদ্ধি পাইছে। অৱশ্যে দুৰ্ঘটনাত মৃত্যুৰ হাৰ যোৱা বছৰৰ তুলনাত এই বছৰ ১৪ দশমিক ২-৮ শতাংশ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি আৰক্ষী, পথ পৰিবহনকে ধৰি কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াৰ সৈতে হোৱা বৈঠকৰ পাছত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰি কয়, যে যোৱাবছৰ ৰাজ্যখনত ৬ হেজাৰ ৬৯৮টা দুৰ্ঘটনা সংঘটিত হোৱাৰ বিপৰীতে এইবাৰ ৰাজ্যখনত সংঘটিত দুৰ্ঘটনাৰ সংখ্যা ১১ হাজাৰ ৫৫৮ লৈ বৃদ্ধি পাইছে। ডঃ শৰ্মাই কয়, যে সমাগত উৎসৱৰ সময়ছোৱাৰ উপৰি অন্য সময়তো ৰাজ্যখনক পথ দুৰ্ঘটনাৰ পৰা মুক্ত কৰি ৰাখিবলৈ চৰকাৰে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ সংকল্প লৈছে। আজিৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে আইন বলৱৎকাৰী সংস্থাসমূহৰ বিষয়াবৰ্গক অনুজ্ঞাবিহীন চালক, অসাৱধানভাৱে গাড়ী চলোৱা ব্যক্তি আৰু সুৰাপায়ী চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ লগতে ঘন কুঁৱলীৰ সময়ত পথৰ সংকেতসমূহ দৃশ্যমান কৰি ৰাখিবলৈকো নিৰ্দেশ দিয়ে।

০০০০০০

কালি সন্ধিয়া মুম্বাইৰ এখন হস্পিতালত দেহাৱসান ঘটা যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি আবেলি মুম্বাইৰ শিৱাজী পাৰ্ক শ্মশানত সম্পন্ন কৰা হ'ব। পৰিচালকগৰাকীৰ নশ্বৰ দেহ বৰ্তমান মুম্বাইৰ পে'ডাৰ ৰোডত থকা তেওঁৰ বাসভৱনত ৰখা হৈছে আৰু ছবিজগতৰ ভালেসংখ্যক শিল্পী, কলাকুশলীয়ে শ্যাম বেনেগালৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, দীৰ্ঘদিন ধৰি বৃক্কজনিত ৰোগত ভূগি থকা চলচ্চিত্ৰ নিৰ্মাতাগৰাকীৰ কালি মুম্বাইত ৯০ বছৰ বয়সত মৃত্যু হয়। সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মন্থন, ভূমিকা, জুনুন, কলিয়ুগ, ত্ৰিকাল, সুৰজ কা সাতৱা ঘোঁৰা, মাম্মো, মান্দি, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শ্বাবানা আজমী, অনন্ত নাগ, স্মিতা পাটিল, নাছিৰুদ্দিন শ্বাহৰ দৰে বিশিষ্ট অভিনয় শিল্পীক চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠিত কৰোৱা বেনেগাল ১৮টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত হৈছিল। ২০০৫ চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে তেওঁক সন্মানিত কৰা হৈছিল।

০০০০০০

শোণিতপুৰ জিলা প্ৰশাসন আৰু তেজপুৰবাসীৰ সহযোগত  তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজি তেজপুৰ সাহিত্য উৎসৱ-২০২৪ আৰম্ভ হৈছে। ৰাজ্যৰ সাহিত্য জগতৰ কবি-সাহিত্যিকৰ লগতে দেশৰ বিভিন্ন ৰাজ্যৰ সাহিত্যিক, কলা-সাহিত্য অনুৰাগীৰ সমাৱেশেৰে 'পৰিধি অতিক্ৰমী আকৌ এবাৰ' শীৰ্ষক বিষয়বস্তুৰে এই সাহিত্য উৎসৱ অনুষ্ঠিত হ'ব। আজিৰ প্ৰথম দিনাৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল তথা সপ্তম অসম ৰাজ্যিক বিত্ত আয়োগৰ অধ্যক্ষ ৰাণা প্ৰতাপ কলিতাই

অংশগ্ৰহণ কৰিব। আনহাতে, সাহিত্য উৎসৱৰ দ্বিতীয় দিনা কাইলৈ হ'বলগীয়া আলোচনাচক্ৰত চলচ্চিত্ৰ নিৰ্মাতা তথা বিশিষ্ট চলচ্চিত্ৰ সমালোচক উৎপল দত্তৰ লগতে ৰাষ্ট্ৰীয় বঁটা বিজয়ী অভিনেত্ৰী ডাঃ জাহানাৰা বেগম আৰু ৰাজ্যিক বঁটাপ্ৰাপ্ত চিত্ৰ নিৰ্মাতা প্ৰদ্যুৎ কুমাৰ ডেকাৰ লগতে আন ভালেকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা। শেষৰ দিনা লাবণ্য ভূঞা সোঁৱৰণী প্ৰাইজমানি কুইজ প্ৰতিযোগিতাৰ লগতে 'বহুভাষিক কবিতা-গদ্যৰ অনুষ্ঠান' অনুষ্ঠিত হ'ব। সন্ধিয়া শাস্ত্ৰীয় গীত-নৃত্যৰ অনুষ্ঠানেৰে সাহিত্য উৎসৱৰ সামৰণি পৰিব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বাৰ্ষিক পৰীক্ষাত অনুত্তীৰ্ণ শিক্ষাৰ্থীসকলক পৰৱৰ্তী শ্ৰেণীত অধ্যয়নৰ সুযোগ দিয়াৰ পূৰ্বৰ বিশেষ নীতি বাতিল কৰিছে। এতিয়াৰেপৰা পঞ্চম আৰু অষ্টম শ্ৰেণীৰ পৰীক্ষাত নিৰ্ধাৰিত নম্বৰ লাভ কৰিবলৈ সমৰ্থ নোহোৱা ছাত্ৰ-ছাত্ৰীক অনুত্তীৰ্ণ ঘোষণা কৰা হ'ব। অৱশ্যে অনুত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে দুমাহৰ ভিতৰত পুনৰ এবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিব। কেন্দ্ৰীয় চৰকাৰে পুৰণি ব্যৱস্থা ঘূৰাই আনি নতুন শিক্ষানীতিৰ আধাৰত এই সন্দৰ্ভত কালি এখন অধিসূচনা জাৰি কৰিছে। পৰীক্ষাত উত্তীৰ্ণ নোহোৱা শিক্ষাৰ্থীক অষ্টম শ্ৰেণীলৈকে বিদ্যালয় কৰ্তৃপক্ষই বিদ্যালয়ৰ পৰা বাহিৰ কৰিব নোৱাৰিব। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ-শিকণ ক্ষমতা উন্নত কৰাৰ উদ্দেশ্যে চৰকাৰে এই নীতি সলনি কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-781003 লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০০

শ্ৰোতাসকলে বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কীয় যিকোনো অভিযোগ বা পৰামৰ্শ WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ আৰু স্থিৰ টেলিফোন নম্বৰ ০৩৬১-২৬৬০৪২৬ত দিব পাৰিব।

০০০০০০

লখিমপুৰ জিলাৰ বিহপুৰীয়াৰ সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা নিৰদা দেৱীৰ আজি পুৱা গুৱাহাটীৰ ৰুক্মিণী গাঁৱৰ জীয়ৰীৰ বাসভৱনত দেহাবসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৯ বছৰ।

০০০০০০

সমাপ্ত